ভাৰত চৰকাৰ
বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্য মন্ত্ৰালয়

# দ্বি সদস্য নিৰ্বাচন সমষ্টি (বিলোপন) অধিনিয়ম, ১৯৬১

( ১৯৬১ চনৰ ১ নং অধিনিয়ম )

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান ]

# The Two Member Constituencies (Abolition) Act, 1961

( Act No. 1 of 1961 )

[ As on the 25th November, 1992 ]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ ( বিধান বিভাগ ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান দ্বি সদস্য নিৰ্বাচন সমষ্টি (বিলোপন) অধিনিয়ম, ১৯৬১ (১৯৬১ চনৰ ১ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত পাঠ আছে যি ১৯।৪।১৯৯৩ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ-৬, অনুভাগ ১, নং ১, খণ্ড ২, পৃষ্ঠা ৬১ - ৬৪ ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে এই প্ৰাধিকৃত পাঠ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত ই অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য হ'ব।

# PREFACE

This edition of The Two Member Constituencies (Abolition) Act, 1961 (1 of 1961) as on the 25th November, 1992 contains the authoritative text of that Act in Assamese which was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 2, dated 19th April, 1993, on page 61 - 64.

This authoritative text was published under the authority of the President under section 2, clause (a) of the Authoritative text (Central Laws) Act, 1973 and on such publication it became the authoritative text of that Act in Assamese.

New Delhi

Date :- 10.5.1993

P. Pramila Reddy,
Additional Legislative Counsel.

# দ্বি-সদস্য নিৰ্বাচন সমষ্টি (বিলোপন) অধিনিয়ম, ১৯৬১

ধাৰাসমূহৰ ক্ৰম

ধাৰাসমূহ


১। সংক্ষিপ্ত নাম।

২। পৰিভাষাসমূহ।

৩। দ্বি-সদস্য থকা সমষ্টিৰ বিভাজন।

৪। বিভাজনৰ ধৰণ।

৫। বিভাজনৰ প্ৰভাব।

৬। গুজৰাটৰ বাবে বিশেষ ব্যৱস্থা, ১৯৬০ চনৰ অধিনিয়ম ২ৰ ধাৰা ১৯ৰ সংশোধন।

৭। পৰিসীমন আদেশৰ সংশোধন।

৮। পৰিসীমন আদেশ শেহতীয়া অৱস্থাত সংৰক্ষণ কৰাৰ ক্ষমতা।

## দ্বি সদস্য নিৰ্বাচন সমষ্টি ( বিলোপন ) অধিনিয়ম, ১৯৬১

( ১৯৬১ চনৰ ১ নং অধিনিয়ম )
[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথা বিদ্যমান ]

[ ৯ মাৰ্চ, ১৯৬১ ]

লোকসভা আৰু বিধান সভাৰ দ্বি সদস্য নিৰ্বাচন সমষ্টিসমূহ বিলোপ কৰাৰ বাবে আৰু তাৰ ঠাইত এক সদস্য নিৰ্বাচন সমষ্টি সৃষ্টি কৰিবলৈ ব্যৱস্থা কৰাৰ বাবে এখনি অধিনিয়ম।

ভাৰত গণৰাজ্যৰ দ্বাদশ বৰ্ষত লোকসভাৰ দ্বাৰা নিম্নোক্তভাবে ইয়াক অধিনিয়মিত কৰা হওক ঃ-

**সংক্ষিপ্ত নাম।**

১। এই অধিনিয়মক দ্বি সদস্য নিৰ্বাচন সমষ্টি (বিলোপন) অধিনিয়ম, ১৯৬১ বুলি কোৱা হব।

**পৰিভাষাসমূহ।**

২। প্ৰসঙ্গত অন্যভাবে প্ৰয়োজন নহলে এই অধিনিয়মত, ---

(ক) "আয়োগ" মানে সংবিধানৰ অনুচ্ছেদ ৩২৪ৰ অধীনত ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়া নিৰ্বাচন আয়োগ ;

(খ) "পৰিসীমন আদেশ" মানে সংসদী আৰু বিধান সভাৰ সমষ্টিৰ ১৯৫৬ চনৰ পৰিসীমন আদেশ ;

(গ) "বৰ্ত্তমান সদস্য" মানে সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ চৰকাৰী ৰাজপত্ৰত ৪ ধাৰাৰ (গ) দফাৰ অধীনত কোনো জাননীৰ প্ৰকাশনৰ তাৰিখৰ অব্যৱহিত পূৰ্বে যি ব্যক্তি সেই ৰাজ্যৰ, ক্ষেত্ৰ বিশেষে, লোকসভা বা বিধান সভাৰ সদস্য আছিল তেনে ব্যক্তি ;

(ঘ) "ৰাজ্য"ই কোনো কেন্দ্ৰীয় শাসনাধীন অঞ্চলক সামৰিব ;

(ঙ) "দ্বি সদস্য নিৰ্বাচন সমষ্টি" মানে প্ৰথম অনুসূচীত বিনিৰ্দ্দিষ্ট সংসদৰ দ্বি সদস্য থকা সমষ্টি বা পৰিসীমন আদেশৰ দ্বিতীয় অনুসূচীত বিনিৰ্দ্দিষ্ট বিধান সভাৰ দ্বি সদস্য থকা সমষ্টি।

**দ্বি সদস্য থকা সমষ্টিৰ বিভাজন।**

৩। আয়োগে যিমান সোনকালে সম্ভৱপৰ হয় আৰু ইয়াত দিয়া ব্যৱস্থামতে (গুজৰাট ৰাজ্যত থকা এটা দ্বি সদস্য বিধানসভা সমষ্টিৰ বাহিৰে) প্ৰত্যেকটো দ্বি সদস্য সমষ্টিক দুটা এক সদস্য সমষ্টিত বিভক্ত কৰিব, সিহতৰ পৰিসৰ পৰিসীমন কৰিব আৰু তলত দিয়া ব্যৱস্থাবোৰৰ প্ৰতি লক্ষ্য ৰাখি, ক্ষেত্ৰবিশেষে, কোনটো সমষ্টি অনুসূচিত জাতিৰ বাবে বা অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত কৰা হব তাক নিৰ্দ্ধাৰণ কৰিব, যেনে ঃ-

(ক) এক সদস্য সমষ্টিবোৰ যিমান দূৰ সম্ভৱপৰ হয় ভৌগোলিক ভাবে সুসংহত অঞ্চল হব আৰু সেইবোৰৰ পৰিসীমনৰ ক্ষেত্ৰত, প্ৰাকৃতিক অৱয়ব, শাসকীয় গোটৰ চলিত সীমা, যোগাযোগৰ সা-সুবিধা আৰু ৰাজহুৱা সুবিধাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব ; আৰু

(খ) সেই এক সদস্য সমষ্টি য'ত আয়োগৰ বিবেচনাত অনুসূচিত জাতি বা ক্ষেত্ৰবিশেষে অনুসূচিত জনজাতীয় লোকৰ অধিকাংশ জনসংখ্যা থুপ খাই আছে তেনে এক সদস্য সমষ্টিৰ আসন সংৰক্ষিত হব।

স্পষ্টীকৰণ ঃ- এই ধাৰাত "জনসংখ্যা" মানে ১৯৫১ চনৰ লোকপিয়লত নিৰ্দ্ধাৰিত কৰা জনসংখ্যা।

বিভাজনৰ ধৰণ। ৪। আয়োগে প্ৰত্যেক ৰাজ্যৰ ক্ষেত্ৰত, -

(ক) ৩ ধাৰাত উল্লেখ কৰা বিষয়বস্তু সম্পৰ্কে ইয়াৰ প্ৰস্তাৱসমূহ প্ৰণয়ন কৰিব আৰু ভাৰতৰ ৰাজপত্ৰত, ৰাজ্যৰ চৰকাৰী ৰাজপত্ৰত আৰু আয়োগে বিবেচনা কৰা মতে গুৰুত্বপূৰ্ণ আঞ্চলিক খবৰৰ কাগজত প্ৰকাশ কৰিব আৰু লগতে প্ৰস্তাৱসমূহৰ সম্পৰ্কত আপত্তিসমূহ আৰু পৰামৰ্শাৱলী আহ্বান কৰি আৰু এটা তাৰিখ নিৰ্দ্ধাৰণ কৰি সেই তাৰিখত বা সেই তাৰিখৰ পিছত ইয়াৰ দ্বাৰা প্ৰস্তাৱসমূহ পুনৰায় বিবেচনা কৰা হব বুলি জাননী দিব ;

(খ) এইদৰে বিনিৰ্দ্দিষ্ট কৰা দিনৰ পূৰ্বে ইয়াৰ দ্বাৰা প্ৰাপ্ত সকলো আপত্তি আৰু পৰামৰ্শ বিবেচনা কৰি ৩ ধাৰাত উল্লেখ কৰা বিষয়ৰ নিৰ্দ্ধাৰণ কৰিব ; আৰু

(গ) ৰাজ্যৰ চৰকাৰী ৰাজপত্ৰত আৰু ভাৰতৰ ৰাজপত্ৰত প্ৰকাশিত জাননীৰ যোগেদিঁ ইয়াৰ সিদ্ধান্ত অনুযায়ী কাৰ্য্যকৰী কৰিবলৈ প্ৰয়োজনীয় বুলি বিবেচনা কৰা মতে পৰিসীমন আদেশত তেনে সংশোধন সমূহ কৰিবলৈ নিৰ্দ্দেশ দিব।

বিভাজনৰ প্ৰভাৱ। ৫। ৪ ধাৰাৰ (গ) দফাৰ অধীনত সংশ্লিষ্ট ৰাজ্যৰ চৰকাৰী ৰাজপত্ৰত জাননী প্ৰকাশ কৰা দিনৰে পৰা, -

(ক) (গুজৰাট ৰাজ্যৰ দ্বি সদস্য সমষ্টিৰ বাহিৰে ) ৰাজ্যৰ প্ৰত্যেক দ্বি সদস্য সমষ্টিবোৰৰ অন্ত পৰিব আৰু ইয়াৰ পৰিবৰ্ত্তে সংশোধিত পৰিসীমন আদেশত ব্যৱস্থিত ধৰণে দুটা দ্বি সদস্য সমষ্টিত পৰিণত কৰা হব ( ইয়াৰ পিছত "অনুৰূপ নতুন সমষ্টি" বুলি উল্লিখিত হব ) ;

(খ) ৰাজ্যখনৰ যিকোনো দ্বি সদস্য সমষ্টিবোৰৰ ইয়াৰ সংৰক্ষিত আসন পূৰাবলৈ নিৰ্বাচিত বৰ্ত্তমানে থকা সদস্যজন অনুৰূপ নতুন সমষ্টিসমূহৰ পৰা, ক্ষেত্ৰবিশেষে, লোকসভালৈ বা ৰাজ্য বিধান সভালৈ নিৰ্বাচিত হোৱা বুলি গণ্য কৰা হব য'ত আসন সংৰক্ষিত কৰা হৈছে আৰু সেই দ্বি সদস্য সমষ্টিৰ আনজন বৰ্ত্তমানে থকা সদস্য আনটো নতুন অনুৰূপ সমষ্টিৰ পৰা নিৰ্বাচিত হোৱা বুলি গণ্য কৰা হব ; আৰু

(গ) ৰাজ্যখনৰ যিকোনো দ্বি সদস্য সমষ্টিত, যদিহে ই সংৰক্ষিত আসনৰ হয়, উক্ত তাৰিখৰ অব্যৱহিত পূৰ্বে, তেন্তে ইয়াক সেই অনুৰূপ নতুন সমষ্টিৰ বাবে খালি থকা বুলি গণ্য কৰা হব যঁত আসনখন সংৰক্ষণ কৰা হৈছে, আৰু যদিহে ই অন্যখন আসনত হয়, তেতিয়া নিৰ্বাচিত সদস্যক অনুৰূপ নতুন সমষ্টিসমূহৰ আনখনৰ সাময়িক ভাবে খালি থকা বুলি গণ্য কৰা হব।

গুজৰাটৰ বাবে বিশেষ ব্যৱস্থা, ১৯৬০ চনৰ অধিনিয়ম ২ৰ ধাৰা ১৯ৰ সংশোধন ।

৬। ১৯৬০ চনৰ বোম্বে পুনৰ গঠন অধিনিয়মৰ ১৯ ধাৰাত ঃ-

(ক) দফা (খ) ৰ বাবে (২) উপধাৰাত নিম্নোক্ত সমূহ প্ৰতিষ্ঠাপিত হব, অৰ্থাৎ ঃ-

"(খ) যিবোৰ বিধান সভা সমষ্টিত ৰাজ্যখনক ভগোৱা হব, এনেকুৱা প্ৰত্যেক সমষ্টিৰ পৰিসৰ আৰু সেইবোৰ সমষ্টিৰ কোনটোত অনুসূচিত জাতি বা অনুসূচিত জনজাতিৰ বাবে আসন সংৰক্ষিত কৰা হব ; আৰু "

(খ) (৩) উপধাৰাৰ বাবে নিম্নোক্ত উপধাৰা প্ৰতিষ্ঠাপিত কৰা হব, যেনে ঃ-

"(৩) (২) উপধাৰাৰ (খ) আৰু (গ) দফাসমূহত দিয়া বিষয় নিৰ্দ্ধাৰণ কৰোতে নিৰ্বাচনী আয়োগে তলত দিয়া ব্যৱস্থাৱলীৰ প্ৰতি লক্ষ্য ৰাখিব, যেনে ঃ-

(ক) সকলো সমষ্টিয়েই এক সদস্যৰ সমষ্টি হব,

(খ) সকলোবোৰ সমষ্টি যিমান দূৰ সম্ভৱ ভৌগোলিকভাবে একে অঞ্চলত হব আৰু সমষ্টিবোৰৰ পৰিসীমন কৰোতে প্ৰাকৃতিক অবয়ব, প্ৰশাসনীয় গোটবোৰৰ চলিত সীমা, যোগা-যোগৰ আৰু ৰাইজৰ সা-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব ; আৰু

(গ) অনুসূচিত জাতি বা অনুসূচিত জনজাতিবোৰৰ বাবে আসন সংৰক্ষিত কৰি ৰখা সমষ্টিবোৰৰ ক্ষেত্ৰত যিমানদূৰ সম্ভৱ সেইবোৰ অঞ্চলত স্থাপিত হব, যঁত, ক্ষেত্ৰবিশেষে, অনুসূচিত জাতি বা অনুসূচিত জনজাতিৰ যথেষ্ট সংখ্যক লোক থুপ খাই থাকে, কিন্তু অনুসূচিত জাতিৰ ক্ষেত্ৰত ৰাজ্যখনৰ বিভিন্ন অঞ্চলসমূহত সংৰক্ষিত আসন সমূহ বিতৰণ কৰোতে সতৰ্কতা অবলম্বন কৰা উচিত হব" ।

পৰিসীমন আদেশৰ সংশোধন ।

৭। (১) ৪ ধাৰাৰ (গ) দফামতে সকলো জাননী প্ৰকাশ কৰাৰ ১৯৬০
পিছত আৰু ১৯৬০ চনৰ বোম্বে পুনৰগঠন অধিনিয়মৰ ধাৰা ১৯ৰ (৫) ৰ
উপ-ধাৰাত নিৰ্দ্দেশিত আদেশ দিয়াৰ পিছত আয়োগে --- ১১

(ক) সকলোবোৰ সমষ্টিৰ পৰিসৰৰ বৰ্ণনা শেহতীয়া অৱস্থালৈ আনিবৰ বাবে আৰু পৰিসীমন আদেশৰ অনুসূচীত বৰ্ণনা কৰা ধৰণে আদেশ আৰু ভাল ভাবে বিন্যাস কৰিবৰ বাবে প্ৰয়োজনীয় বুলি বিবেচনা কৰা মতে পৰিসীমন আদেশত তেনেকুৱা অতিৰিক্ত সংশোধন সমূহ কৰিব ; আৰু

(খ) এনেদৰে সংশোধিত আৰু পুনৰ সংশোধন কৰা পৰিসীমন আদেশৰ প্ৰমাণীকৃত নকল কেন্দ্ৰীয় আৰু প্ৰত্যেক ৰাজ্য চৰকাৰলৈ পঠাব।

(২) পুনৰ সংশোধিত পৰিসীমন আদেশ কেন্দ্ৰীয় চৰকাৰ বা কোনো ৰাজ্যৰ চৰকাৰে পোৱাৰ পাচত যিমান সোনকালে পাৰি এইবোৰ, ক্ষেত্ৰবিশেষে, লোকসভাত বা ৰাজ্যৰ বিধান সভাত উপস্থাপন কৰা হব।

**পৰিসীমন আদেশ শেহতীয়া অৱস্থাত সংৰক্ষণ কৰাৰ ক্ষমতা।**

৮। আয়োগে সময়ে সময়ে, ভাৰতৰ ৰাজপত্ৰৰ যোগেদি আৰু সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত জাননীৰ দ্বাৰা, --

(ক) সংশোধিত পৰিসীমন আদেশৰ ছপাৰ ভুল বা আন অনিচ্ছাকৃত ক্ৰটি বা ভুল শুধৰাব পাৰিব, আৰু

(খ) উক্ত আদেশৰ অনুসূচীত উল্লেখ কৰা মতে সীমা বা জিলাৰ নাম আঞ্চলিক সংমণ্ডল ক্ষেত্ৰত যেতিয়া সাল-সলনি কৰা হয় তেতিয়া সেই অনুসূচী শেহতীয়া অৱস্থালৈ আনিবৰ বাবে প্ৰয়োজনীয় বা বিধেয় বুলি বিবেচনা কৰিব পৰা মতে তেনে সংশোধন সমূহ কৰিব।

# The Two-member Constituencies (Abolition) Act, 1961

# দ্বি সদস্য নিৰ্বাচন সমষ্টি ( বিলোপন ) অধিনিয়ম, ১৯৬১

## Glossary of Terms

## পৰিভাষা

| Reference | English Terms | Assamese Equivalent |
|---|---|---|
| Section 2 (b) | Delimitation order | পৰিসীমন আদেশ। |
| Section 2 (c) | Sitting Member | বৰ্ত্তমান সদস্য। |
| Section 2 (e) | Two-Member Constituency | দ্বি সদস্য নিৰ্বাচন সমষ্টি। |
| Section 3 (a) | Compact area | সু-সংহত অঞ্চল। |
| Section 6 (3) (b) | Physical feature | প্ৰাকৃতিক অবয়ব। |
| Section " | Existing boundary | চলিত সীমা। |
| Section " | Administrative unit | প্ৰশাসনীয় গোট। |
| Section 7(1) (b) | Revised | পুনৰ সংশোধন কৰা। |

দ্বিব সদস্য নিৰ্বাচন সমষ্টি (বিলোপন) অধিনিয়ম, ১৯৬১

শুদ্ধৰাণ

| পৃষ্ঠা | ধাৰা | আছে | হব লাগে |
|---|---|---|---|
| ২ | ৫(ক) তৃতীয় শাৰী | দুটা 'দ্বিব' সদস্য | দুটা 'এক' সদস্য |